চিত্র চেতনা

Chitra Chetona

5th AIFF

সম্পাদনা ঃ

যতীন্দ্র শইকীয়া

চিত্ৰ চেতনা

সম্পাদনা ঃ
যতীন্দ্ৰ শইকীয়া

চিত্ৰ চেতনা

পঞ্চম অসম আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- ২০১৪
অসম চলচ্চিত্ৰ সমাজৰ উদ্যোগত
আৰু
ভাৰতীয় চলচ্চিত্ৰ মহাসংঘ আৰু বস্ক' ইনচটিটিউত,
যোৰহাটৰ সহযোগত

5th Assam International Film festival - 2014
Organized by
Assam Film Society
in collaboration with
Federation of film societies of India and
Bosco Institute, Jorhat

মুখ্য উপদেষ্টা ঃ
প্ৰফুল্ল ৰাজগুৰু

উপদেষ্টা ঃ
ড° মণ্টু ভূএগ
অ° ৰমেন গগৈ

সম্পাদক ঃ যতীন্দ্ৰ শইকীয়া

সদস্য ঃ
অধ্যাপক তপন দাস
অধ্যাপক ৰঞ্জন বিকাশ পেগু
হেমেন কুমাৰ শইকীয়া

শুভেচ্ছামূলক বৰঙণি ঃ ২০.০০ (বিশ) টকা
মুদ্ৰণ ঃ প্ৰিন্ট ৱৰ্ল্ড, পুৰণা আৰৰ্ত ভৱন পথ, যোৰহাট - ১

সম্পাদকীয় ঃ

চলচ্চিত্ৰ আন্দোলন আৰু আঞ্চলিক চলচ্চিত্ৰ



ভাৰতীয় চলচ্চিত্ৰই গৌৰবোজ্জল এশবছৰ সম্পূৰ্ণ কৰিলে। আৰু এই দীঘল ইতিসাহৰ সাক্ষী হৈ ৰ'ল বহু খ্যাত-অখ্যাত শিল্পী, ক'লা-কুশলী, প্ৰয়োজক-পৰিচালক আৰু অগনণ ভৰতীয় দৰ্শক। সৃষ্টি হ'ল বহু জীৱন্ত কিংবদন্তীৰ। ভাৰতীয় চলচ্চিত্ৰৰ আত্মাস্বৰূপ সত্যজিৎ ৰয়ৰ পৰা আৰম্ভ কৰি ঋত্বিক ঘটক, ভি শান্তাৰাম, বিমল ৰয়, অদুৰ গোপাল কৃষ্ণণ, ছাজী এন. কৰুণ, গিৰীশ কাছাৰভেল্লী, জাহ্নু বৰুৱা, ৰমেশ ছিপ্পী, যশ চোপ্ৰা লৈকে। ভাৰতীয় চলচ্চিত্ৰৰ চাৰ্লি চেপলিন ৰাজকাপুৰ, নাছিৰুদ্দিন শ্বাহ, ওম পুৰী, নানা পাটেকাৰ, অনুপম খেৰ, মোহনলাল, মামুটি, অমিতাভ বচ্চন, আমিৰ খান, বিজু ফুকন, অৰুণ নাথলৈকে। সময়ে সময়ে এই তাৰকা সকল উদ্ভাসিত হৈ উঠিল, একো একোটা যুগৰ ৰচনা কৰিলে। ভাৰতীয় চলচ্চিত্ৰক প্ৰভাৱিত কৰি এক দূৰন্ত গতি প্ৰদান কৰিলে। ভাৰতীয় চলচ্চিত্ৰ এক উদ্যোগলৈ পৰিণত হ'ল।

ভাৰতীয় চলচ্চিত্ৰৰ এই সজীৱ আৰু আকৰ্ষণীয় বৈশিষ্ট্য সমূহ গঢ় লৈ উঠাত ভাৰতৰ আঞ্চলিক চলচ্চিত্ৰৰ (Regional film) অৱদান সবাতোকৈ অধিক। তামিল, মালায়ালম, কন্নড়, বেংগলী, অসমীয়া আৰু মণিপুৰী চলচ্চিত্ৰৰ কথা অৱধাৰিত ভাৱেই আহে। এটা সময়ত ভাৰতৰ পেন'ৰামাত অন্তৰ্ভুক্ত আঞ্চলিক চলচ্চিত্ৰ সমূহে বিশ্বজুৰি সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। কিন্তু এতিয়া গোলকীয় অৰ্থনীতিৰ অগ্ৰাসনত এই অঞ্চলৰ ছবি সমূহে অস্তিস্ব ৰক্ষাৰ সংগ্ৰামত অৱতীৰ্ণ হ'ব লগা হৈছে বা নিজৰ আঞ্চলিক চৰিত্ৰ হেৰুৱাই পেলাইছে। এই ক্ষেত্ৰত দক্ষিণ ভাৰতৰ ছবিসমূহ কিছু ব্যতিক্ৰম। অসমতো ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ "জয়মতী"ৰ পৰা পদুম বৰুৱাৰ "গঙা চিলনীৰ পাখী", প্ৰভাত মুখাৰ্জীৰ "পূৰৱৰুণ", অতুল বৰদলৈৰ "কল্লোল", ড° ভৱেন্দ্ৰনাথ শইকীয়াৰ "সন্ধ্যাৰাগ", "অগ্নিস্নান", "সাৰথি", জাহ্নু বৰুৱাৰ "হালধীয়া চৰায়ে বাওধান খায়", "সাগৰলৈ বহুদূৰ", গৌতম বৰাৰ "ৱশ্ব'বিপ" আদি চলচ্চিত্ৰৰ যোগেদি

বিশুদ্ধ চলচ্চিত্র (Pure flim) নিৰ্মাণৰ যোগেদি এক সুস্থ আঞ্চলিক চলচ্চিত্র আন্দোলন সূচনা হয়। কিন্তু এয়াও এক সীমিত ৰূপত।

অতি পৰিতাপৰ কথা যে ভাৰতীয় চলচ্চিত্ৰৰ এই সূদীৰ্ঘ যাত্ৰাত কলাত্মক আৰু বাণিজ্যিক অভিধানে দুখন বজাৰৰ সৃষ্টি হ'ল আৰু দৰ্শক সকল দুটা শিবিৰত বিভক্ত হৈ পৰিল। বাণিজ্যিক ছবি নিমাৰ্ণৰ নামত চলচ্চিত্ৰীয় বোধ (Cinematic Sense) সম্পৰ্কীয় দৃষ্টিভংগীৰ সলনি কৰিবলৈ এচাম প্ৰয়োজক-পৰিচালক উঠিপৰি লাগিল। চলচ্চিত্ৰৰ বাণিজ্যিক সম্ভাৱনাই চলচ্চিত্ৰৰ দৰে এক সংবেদী গণমাধ্যমক (Sensitive mass medium) বজাৰৰ অন্য সামগ্ৰীৰ দৰেই এক পণ্যত পৰিণত কৰি পেলালে। যাৰ ফলস্বৰূপে চলচ্চিত্র কেৱল খন্তেকীয়া বিনোদনৰ আহিলাত পৰিণত হ'ল। আনহাতে কলাত্মক ছবিৰ নামেৰে চৰ্চিত ছবিবোৰে এচাম খুব কমসংখ্যক দৰ্শকৰ বৌদ্ধিক অনুশীলনৰ ক্ষেত্ৰ হৈ পৰিল আৰু এই দৰে চলচ্চিত্ৰৰ বহুমাত্ৰিক আবেদনক ঠেক গণ্ডীৰ মাজত আৱদ্ধ কৰি ৰাখিব বিচৰা হ'ল।

আচলতে এই দুই ধৰণৰ ভাৰতীয় চলচ্চিত্ৰক নিজস্ব সীমা বদ্ধতাৰ পৰা মুক্ত কৰিবৰ হ'ল। ভাল ছবিক বা বিশুদ্ধ ছবিক আমি গ্ৰহণ কৰিব পাৰিব লাগিব আৰু বেয়া ছবিক আমি নসাৎ কৰিব পাৰিব লাগিব। চলচ্চিত্র নিৰ্মাতা, প্ৰয়োজক-পৰিচালক সকলে প্ৰথমেই আমাৰ দৰ্শকসকলক এই ধৰণৰ স্থুল ধাৰণাৰ পৰা মুক্ত কৰিব পাৰিব লাগিব। তেওঁলোকে ভাল কাহিনী, বাল অভিনয়, ভাল সংগীত, ইঙ্গিত ধৰ্মী সংলাপ আৰু কেমেৰা তথা এক অতি সংবেদনশীল মনলৈ পৰিচালনা কৰিবলৈ সততাৰে আৰু আন্তৰিকতাৰে আগবাঢ়ি আহিব লাগিব আৰু আমি দৰ্শকসকলেও তেওঁলোকৰ তেনে সৎ আৰু সফল প্ৰচেষ্টাক আদৰণী জনাই উৎসাহিত কৰিব পাৰিব লাগিব। আমি মনত ৰখা প্ৰয়োজন যে সুস্থ কলাসন্মত আৰু সুন্দৰকৈ নিৰ্মিত বিশুদ্ধ কথা ছবিও বাণিজ্য কৰিবলৈ সক্ষম। সেই কথা এই মাধ্যমৰ নতুন শিল্পী ক'লা কুশলী সকলে গভীৰভাৱে উপলব্ধি কৰাটো অতি প্ৰয়োজন।

আনহাতে "অসম চলচ্চিত্র সমাজৰ" দৰে আন চলচ্চিত্র সংস্থা সমূহেও চলচ্চিত্ৰৰ এই বিশেষ সন্ধিক্ষণত গুৰুদায়িত্ব পালন কৰি সকলো পক্ষকে সজাগ আৰু সচেতন কৰি তুলিবলৈ চেষ্টা কৰিব লাগিব। বিদেশী ছবি, হিন্দী ছবি বা অসমৰ আঞ্চলিক ছবি ইত্যাদি ইত্যাদিৰ আৱৰ্তৰ উৰ্ধত গৈ এখন ভাল কথাছবি উপভোগ কৰিব পৰা এচাম ছমজদাৰ দৰ্শকক সৃষ্টি কৰিব পাৰিলেই এই আন্দোলনলৈ সাৰ্থকতা আহিব। চলচ্চিত্র সমাজে পঞ্চম বাৰৰ বাবে এই চলচ্চিত্র মহোৎসৱৰ আয়োজন কৰি চলচ্চিত্র আন্দোলনটোক ইতিমধ্যে অধিক গতিশীল কৰি তুলিবলৈ সক্ষম হৈছে। আশা কৰিব পাৰি যে অদুৰ ভৱিষ্যতে এই আন্দোলনৰ যোগেদিয়েই চলচ্চিত্র বিভ্ৰান্তিকৰ কলাত্মক আৰু বাণিজ্যিক ৰূপৰ সীমাৰেখাডাল অস্পষ্ট হৈ পৰিব আৰু ক্ৰমাৎ স্পষ্ট হৈ আহিব কেৱল ভাল ছবিৰ প্ৰাসংগিকতা। নিশ্চিত ভাৱে কলাসন্মত ভাল ছবিয়েই শেষত সম্পূৰ্ণৰূপে বজাৰ দখল কৰিবলৈ সক্ষম হ'ব। তেন্তে আহক, আমি সকলোৱে বিশুদ্ধ চলচ্চিত্ৰৰ (Pure film) পক্ষত থিয় হওঁ।

উৎসর্গা

প্ৰতিজন চলচ্চিত্র অনুৰাগীৰ হাতত ...

সূচী পত্ৰ

জ্যোতিপ্ৰসাদৰ জয়মতী ঃ প্ৰথম ভাৰতীয় ৰাজনৈতিক ছবি / ড° জয়ন্ত মাধৱ দত্ত /০৭

সুখী মানুহৰ চলচ্চিত্ৰ / প্ৰাঞ্জল বৰা / ১০

AGAINST ODDS / MANOJ BARPUJARI / ১৭

PAULINE AT THE BEACH / JAYSHREE DUTTA / ২২

BERNARDO BERTOLUCCI'S 'YOU AND ME': THE BIG SHOT IS BACK, BUT NOT WITH A BANG....! / PRANJAL BORAH / ২৫

জ্যোতিপ্ৰসাদৰ জয়মতী ঃ প্ৰথম ভাৰতীয় ৰাজনৈতিক ছবি

ড° জয়ন্ত মাধৱ দত্ত

২০১৩ চনৰ অক্টোবৰ মাহত প্ৰকাশিত 'Frontline'ৰ ভাৰতীয় চলচ্চিত্ৰ শতবৰ্ষৰ বিশেষ সংখ্যাত প্ৰথিতযশা ভাৰতীয় চলচ্চিত্ৰ পৰিচালক আদুৰ গোপালকৃষ্ণনে কৈছে যে তেওঁ ভাৱে ভাৰতীয় চলচ্চিত্ৰ সত্যজিত ৰায়ৰ 'পথেৰ পাঁচালি'ৰ সৈতেহে আৰম্ভ হৈছে। প্ৰকৃতাৰ্থত ভাৰতীয় চলচ্চিত্ৰ দাদা চাহেব ফাল্কেৰ ৰাজা হৰিশচন্দ্ৰৰ পৰা আৰম্ভ হোৱা নাই। তেওঁৰ ভাষাত "I do not think Indian cinema began with Phalke in the true sense. It began with Pather Panchali and Satyajit Ray, who was the first complete film maker to choose to work in cinema. All those before him were mere storytellers. Phalke was inspired to make films after he saw the *Life of Christ*. A major influence on his films was Raja Ravi Varma, who was his guru and guide. The paintings of Ravi Varma, were about certain dramatic moments in our mythology; there is an innate drama in everything he painted and an entertaing narrative too."' ভাৰতীয় চলচ্চিত্ৰৰ শতবৰ্ষত এগৰাকী ধীমান, অতি ছিৰিয়াছ, ছবি নিৰ্মাতাৰ এই কথাখিনি যথেষ্ট গুৰুত্বপূৰ্ণ। আদুৰ গোপাল কৃষ্ণনৰ দৰে আমিও ব্যক্তিগত ভাৱে সত্যজিত ৰায়ৰ অসামান্য চলচ্চিত্ৰীয় প্ৰতিভাক সদায়েই স্বীকাৰ কৰি আহিছো আৰু তেওঁৰ প্ৰায়খিনি ছবিকেই ৰসাস্বাদ কৰিবলৈ চেষ্টা কৰিছো। ৰায়ৰ 'পথেৰ পাঁচালি'ত ভাৰতবৰ্ষৰ জীয়া বাস্তৱক অনুভৱ কৰিব পাৰি। দৰিদ্ৰতাই পিষ্ট কৰা জীৱন, ভাৰতবৰ্ষৰ গ্ৰাম্য জীৱন, মানুহৰ প্ৰেম, প্ৰকৃতি আৰু শৈশৱৰ আনন্দৰ লগতে হতভগীয়া দুখৰ নিৰ্মম আঘাত আৰু এই সকলোবোৰৰ সৈতে সহবাস কৰি জীয়াই থকাৰ প্ৰাত্যাহিক সংগ্ৰাম। ৰায়ে এই ছবিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ জগতত নিজকে এজন অসামান্য চলচ্চিত্ৰ পৰিচালক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। ভাৰতীয় চলচ্চিত্ৰলৈ সত্যজিত ৰায়ৰ অৱদানৰ গুৰুত্ব অপৰিসীম আৰু ৰায়ৰ অৱদানক সকলোৱে স্বীকাৰ কৰিছে। এক কথাত কবলৈ গ'লে সত্যজিত ৰায় যে ভাৰতীয় চলচ্চিত্ৰ তথা বিশ্বচলচ্চিত্ৰৰে এজন গ্ৰেট মাষ্টাৰ সেই সম্পৰ্কে কোনো সন্দেহ নাই।

কিন্তু এজন সামান্য চলচ্চিত্ৰ অনুৰাগী আৰু চলচ্চিত্ৰ সংগঠক হিচাপে আদুৰ গোপালকৃষ্ণনৰ উল্লেখিত মন্তব্যই আমাৰ মনতো কেতবোৰ প্ৰশ্ন জগাই তুলিছে। আমি আদুৰ গোপালকৃষ্ণনৰ এই মন্তব্যৰ প্ৰতি যথাযথ সন্মান প্ৰদৰ্শন কৰি এনেদৰে ভাবো যে কাৰিকৰী ভাৱে ভাৰতীয় চলচিত্ৰৰ শুভাৰম্ভ হৈছিল ১৯১৩ চনত দাদা চাহেব ফাল্কেৰ 'ৰাজা হৰিশচন্দ্ৰ'ৰ জৰিয়তে আৰু চলচ্চিত্ৰ কলাক দায়বদ্ধ আৰু সামাজিক পৰিৱৰ্তনৰ বাবে প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল অসমৰ জ্যোতি প্ৰসাদ আগৰৱালাই 'জয়মতী'ৰ জৰিয়তে ১৯৩৫ চনত। প্ৰথম সবাক ছবি 'আলম আৰা' ১৯৩১ চনত মুক্তি পাইছিল আৰু আমাৰ জ্যোতি প্ৰসাদৰ 'জয়মতী'য়ে মুক্তি পাইছিল ১৯৩৫ চনত। ১৯৩১ চনৰ

'আলম আৰাৰ' পৰা ১৯৩৫ চনৰ 'জয়মতী'লৈকে সমগ্ৰ ভাৰতবৰ্ষৰ হিন্দীকে ধৰি অন্যান্য আঞ্চলিক ভাষা বিলাকত মুঠ ৬১২ খন ছবি নিৰ্মাণ হৈছিল। কিন্তু ৬১২ খন ছবিৰ ভিতৰত 'জয়মতী' আছিল অনন্য। কিয়নো সেই সময়লৈকে নিৰ্মিত গৰিষ্ঠ সংখ্যক ছবিৰে উদ্দেশ্য আছিল ধন আহৰণ কৰা অৰ্থাৎ ব্যৱসায় কৰা। চলচ্চিত্ৰৰ নিচিনা এটা শক্তিশালী কলাক দায়িত্বশীলভাৱে সমাজৰ মংগলৰ অৰ্থে ভাৰতীয় চলচ্চিত্ৰত প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল অসমৰ জ্যোতি প্ৰসাদে। কলিকতাত পঢ়ি থাকোতেই (১৯২১-২২) জ্যোতি প্ৰসাদে নতুনকৈ জন্ম হোৱা এই শিল্পৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। বন্ধু পৰশুৰাম বৰুৱাৰ সৈতে 'আঁধাৰে আলো' নামৰ এখন বঙালী বায়স্কোপ চাইছিল আৰু ওভতাৰ পথত বন্ধুক জ্যোতি প্ৰসাদে কৈছিল - "ছবি এখন কৰিব পাৰিলে; নিশ্চিতভাৱে জ্যোতি প্ৰসাদে এখন ছবি নিৰ্মাণ কৰিলে যিখন ছবি ভাৰতীয় চলচ্চিত্ৰৰ প্ৰথমখন ৰাজনৈতিক ছবি আৰু ছবিখনৰ কেন্দ্ৰীয় চৰিত্ৰটো হৈছে এগৰাকী নাৰী। ১৯৩৫ চনলৈকে কোনো ভাৰতীয় ছবি নিৰ্মাতাই এখন ৰাজনৈতিক (political) ছবি নিৰ্মাণ কৰাৰ সাহস কৰা নাছিল। ইতিমধ্যে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ লগত জড়িত থকাৰ বাবে বৃটিছ চৰকাৰে জ্যোতি প্ৰসাদক দুবাৰ কাৰাৰুদ্ধ কৰিছিল আৰু কাৰাগাৰৰ ভিতৰতে জ্যোতি প্ৰসাদে 'জয়মতী'ৰ চিত্ৰনাট্য লিখি উলিয়াইছিল। 'জয়মতী'ৰ চৰিত্ৰটোত জ্যোতি প্ৰসাদে বিচাৰি পাইছিল সমসাময়িক ভাৰতীয় স্বাধীনতা আন্দোলনৰ এক প্ৰতিবাদী ৰূপক হিচাপে। আচলতে পৰাধীন ভাৰতবৰ্ষত 'জয়মতী' নিৰ্মাণৰ আঁৰত জ্যোতিপ্ৰসাদৰ এক সক্ৰিয় ৰাজনৈতিক চেতনা আছিল। পিছৰ জীৱনত এইকথা তেওঁ গণশিল্পী হেমাংগ বিশ্বাসক এনেদৰে কৈছিল - "সিদিনা বহুতে ভাবিছিল মই ৰাজনৈতিক সংগ্ৰামৰ পৰা অৱসৰ লৈ চিনেমা জগতৰ ৰঙীন আৰ্ট বিলাসিতাৰ বাটকেই বাছি লৈছোঁ। কিন্তু মই আৰ্টক সংগ্ৰামৰ পৰা বেলেগকৈ কোনো দিনেই দেখা নাই। অশিক্ষিত ভাৰতৰ গণমানসৰ ৰূপান্তৰত আৰ্টৰ এটি প্ৰধান ভূমিকা আছে। সেই প্ৰেৰণাই মোক চিনেমাৰ বাটত নমালে।" এই কথাই সন্দেহাতীত ভাৱে প্ৰমাণ কৰে যে এক উদ্দেশ্য লৈহে জ্যোতিপ্ৰসাদে ছবি নিৰ্মাণ কৰিছিল, কোনো বিশুদ্ধ শিল্প চৰ্চা অথবা বজৰুৱা বিনোদনৰ বাবে কৰা নাছিল।

'জয়মতী'ৰ অভিনয়ৰ ক্ষেত্ৰতো জ্যোতি প্ৰসাদে বাস্তৱিক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। বঙালী আৰু হিন্দুস্থানী ছবিবোৰৰ অভিনয়শৈলীৰ প্ৰতি জ্যোতি প্ৰসাদৰ স্পষ্ট অভিযোগ আছে। এই ক্ষেত্ৰত তেওঁ এনেদৰে কৈছে ঃ "সাধাৰণতে বঙালী আৰু হিন্দুস্থানী কথা ছবিবোৰ বৰ অস্বাভাৱিক। মঞ্চাভিনয় আৰু চিত্ৰাভিনয়ৰ পাৰ্থক্য আনকি বিখ্যাত বঙালী ফিল্ম আৰু হিন্দুস্থানী ফিল্ম ডিৰেক্টৰ সকলেও কৰিব নোৱাৰা যেন দেখা যায়। যিসকলে ইংৰাজী আৰু হিন্দী ফিল্ম বিজাই চাইছে তেওঁলোকে নিশ্চয় এই কথা বুজে। মঞ্চাভিনয় হৈছে কৃত্ৰিম (artificial) আৰু চিত্ৰাভিনয় হৈছে স্বাভাৱিক (natural)। সেইদৰে ফিল্মৰ পৰিবেশো হ'ব লাগিব স্বাভাৱিক। কিন্তু আনকি আজিলৈকে বঙালী আৰু হিন্দুস্থানী ফিল্ম আচল ফিল্ম অভিনয়ৰ শাৰীলৈ আহিব পৰা নাই।" জ্যোতিপ্ৰসাদৰ যে চলচ্চিত্ৰ সম্পৰ্কে গভীৰ জ্ঞান আছিল এই কথা তেওঁৰ চলচ্চিত্ৰ সম্পৰ্কে থকা দৃষ্টিভংগীৰ পৰাই বুজিব পাৰি। 'জয়মতী' ছবিখন পৰিচালনা কৰোতে তেওঁ অভিনয়ৰ ক্ষেত্ৰত বাস্তৱ সন্মত (realistic) হ'বলৈ চেষ্টা কৰিছে। জয়মতীক যদিওবা তেওঁ প্ৰতিবাদৰ এক ৰূপক হিচাপে গ্ৰহণ কৰিছে কিন্তু অভিনয়ৰ ক্ষেত্ৰত জয়মতীক উগ্ৰ আৰু শ্লোগানধৰ্মী বক্তৃতা দিওৱাৰ পৰা পৰিচালক বিৰত আছে। জ্যোতিপ্ৰসাদে সমসাময়িক অসমীয়া সমাজৰ এগৰাকী বোৱাৰীয়ে কিদৰে আচৰণ কৰে জয়মতীৰ হতুৱাই তেনে আচৰণেই কৰাইছে। ছবিখনত জয়মতীয়ে ক'তো উগ্ৰ জ্বালামুখী ভাষণ দিয়া নাই। যদি জয়মতীয়ে শ্লোগানধৰ্মী উগ্ৰ জ্বালামুখী ভাষণ দি অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ গ'লহেঁতেন তেনেহ'লে ছবিখন বাস্তৱসন্মত নহ'লহেঁতেন। জ্যোতি প্ৰসাদে এইক্ষেত্ৰত এনেদৰে কৈছে - "সেই কাৰণে মোৰ 'জয়মতী'য়ে ৰাজসভাত বক্তৃতা দি - আন ঠাইত নানা ভাৱ প্ৰৱন বক্তৃতাৰে গোৰোহনি মৰা নাই। ধৈৰ্যশীলা, অল্প ভাষিণী অসমীয়া সম্ভ্ৰান্ত বোৱাৰীয়ে নিজৰ কাৰ্য্যৰে মৌনভাৱে য'ত কথা ক'ব লাগে মাত্ৰ তাতহে মাতি আৰু ঘটনাৰ মাজেদি নিজৰ কৰ্ম্মৰ দ্বাৰাই চৰিত্ৰবল দেখুৱাই যায়, সেইদৰেই 'জয়মতী'কো আঁকা হৈছে।"

মুঠতে অসাধ্য সাধন কৰি ১৯৩৫ চনত ভাৰতৰ উত্তৰ পূব অঞ্চলত অৱস্থিত আওঁহতীয়া সকলোধৰণৰ কাৰিকৰী

সা-সুবিধাৰ পৰা বঞ্চিত অসমৰ নিচিনা এখন ৰাজ্যত জ্যোতি প্ৰসাদ আগৰৱালাই প্ৰথমখন অসমীয়া ছবি আৰু প্ৰথমখন ভাৰতীয় ৰাজনৈতিক ছবি নিৰ্মাণ কৰিছিল। জ্যোতি প্ৰসাদ ছবিখনৰ কেৱল পৰিচালকেই নহয় প্ৰযোজকো আছিল। কিন্তু দুখৰ কথা এয়েই যে যি আগ্ৰহ আৰু হেঁপাহেৰে জ্যোতি প্ৰসাদে অসমীয়া দৰ্শকৰ বাবে এই ছবি নিৰ্মাণ কৰিছিল জ্যোতি প্ৰসাদৰ সেই আশা পূৰ্ণ হোৱা নাছিল। ছবিখন নিৰ্মাণত খৰচ হৈছিল প্ৰায় পঞ্চাশ হাজাৰ টকা। আৰু লোকচান হৈছিল প্ৰায় ত্ৰিশ হেজাৰ টকা। ইমান লোকচানৰ পিছতো জ্যোতি প্ৰসাদে আৰু এখন অৰ্থাৎ দ্বিতীয়খন ছবি 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰিলে। কিয়নো জ্যোতি প্ৰসাদে বিশ্বাস কৰিছিল চলচ্চিত্ৰৰ জৰিয়তে নিজৰ সভ্যতা, কৃষ্টি-সংস্কৃতি, সংগীত, ভাষা আৰু সামাজিক আদৰ্শক সযতনে আৰু নিৰাপদে ৰক্ষা কৰিব পাৰি। জ্যোতি প্ৰসাদৰ ভাষাৰেই "অসমীয়া ফিল্মৰ ভৱিষ্যত নায়েই। কিন্তু তথাপি অসমীয়াই ফিল্ম উলিয়াব নোৱাৰিলে অসমীয়াৰ ৰক্ষা নাই, পৰিত্ৰাণ নাই। যেনেকৈ এসময়ত লোকচান ভৰি হ'লেও বা সাঁচাকৈয়ে ভৰিয়েই অসমীয়া মাহিলী, সাদিনীয়া কাকত-অসমীয়াই উলিয়াই অসমীয়াৰ কৃষ্টি, সভ্যতা, সাহিত্য, ভাষা আৰু সংগীত বিদেশী আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ দৃঢ়মনেৰে লাগি আৰু লগে লগে সেই বাতৰি কাকতবোৰৰো, নিজৰ উপৰোক্ত বিষয়বোৰৰ উন্নতিৰ ব্যৱস্থা কৰিছিল, আজিও অসমীয়াই অন্ততঃ অহা ১০ বছৰলৈ অসমীয়া ফিল্ম সেই spirit ৰে উলিয়াবলৈ ল'ব'ই লাগিব। নহ'লে অসমৰ নিজা গৱৰ্ণমেণ্টেই হওক বা বিশ্ববিদ্যালয়েই হওক, অসমীয়াই অসমীয়াৰ সুকীয়া সভ্যতা, কৃষ্টি, সংগীত, ভাষা আৰু সামাজিক আদৰ্শক নিৰাপদে ৰাখিব নোৱাৰিব।" গভীৰ প্ৰজ্ঞাৰ এই কথাখিনিত লুকাই আছে জ্যোতিপ্ৰসাদৰ সামাজিক দায়িত্ববোধ। জ্যোতিপ্ৰসাদে কলাক কেতিয়াও বিশুদ্ধ চৰ্চাৰ বাবে বুলি ভৱা নাছিল। তেওঁ গভীৰ ভাৱে অনুভৱ কৰিছিল ক'লা সমাজৰ হিতৰ বাবে। আমি ব্যক্তিগত ভাৱে আশাকৰোঁ অসমৰ বৰ্তমান চলচ্চিত্ৰ নিৰ্মাণৰ লগত জড়িত ব্যক্তিয়ে জ্যোতিপ্ৰসাদৰ এইআকুল আহ্বান শুনি দায়বদ্ধ ভাৱে ভাল ছবি নিৰ্মাণ কৰি সমাজৰ উত্তৰণৰ পথ দেখাব।

আমি দৃঢ় ভাৱে বিশ্বাস কৰোঁ যে চলচ্চিত্ৰই মানুহৰ জীৱন আৰু সমাজক গভীৰভাৱে প্ৰভাৱিত কৰাৰ ক্ষমতা আছে। সেয়ে এই শিল্পক ইয়াৰ লগত জড়িতসকলে খুবেই সচেতন আৰু দায়িত্বশীলভাৱে ব্যৱহাৰ কৰিব লাগে। চলচ্চিত্ৰ কেতিয়াও সস্তীয়া বিনোদনৰ আহিলা হ'ব নোৱাৰে। অসমৰ লগতে ভাৰতবৰ্ষৰ প্ৰায়বোৰ আঞ্চলিক ভাষাৰ ছবিৰেই আজিৰ তাৰিখত অৱস্থা ভাল নহয়। ইয়াৰ দুটা প্ৰধান কাৰণ আছে। এটা হৈছে ভাল ছবিৰ দৰ্শক সৃষ্টি কৰিব নোৱাৰাটো আৰু দ্বিতীয়তে বলীউদী ছবিৰ আগ্ৰাসন। ইয়াৰ আঁৰৰ কাৰকবোৰ ইয়াত বহলকৈ আলোচনা নকৰিও ইয়াকে কওঁ যে আজিৰ তাৰিখত ভাল ছবিৰ দৰ্শক সৃষ্টি কৰাতো চলচ্চিত্ৰ সংগঠনসমূহৰ আৰু ছবি নিৰ্মাতাসকলৰ প্ৰধান দায়িত্ব। ছবি নিৰ্মাতাসকলে মানবীয় সমস্যা, সামাজিক-ৰাজনৈতিক সমস্যা বা বিষয় সম্পৰ্কীয় ছবি নিৰ্মাণ কৰি দৰ্শকৰ ৰুচিৰ পৰিবৰ্ত্তন কৰিব লাগিব। এইটো তেওঁলোকৰ দায়িত্ব আৰু কৰ্তব্য। শিল্পীৰ দায়িত্ব হৈছে সমাজৰ অশুভ শক্তিৰ বিৰুদ্ধে জনতাক সচেতন কৰি দিয়া। যিবোৰ অপশক্তিয়ে সমাজক গিলিব ধৰিছে সেই অপশক্তিবোৰক প্ৰতিহত কৰিবলৈ মানুহক সদা জাগ্ৰত কৰি ৰখা। ছবি নিৰ্মাতা এজন হৈছে শিল্পী আৰু সেয়ে তেওঁ জনতাক তেওঁৰ শিল্প কৰ্মৰ সৈতে সামাজিক-ৰাজনৈতিক ভাৱে সচেতন কৰি ৰাখিব লাগিব।

শেষত চলচ্চিত্ৰৰ কিম্বদন্তী পুৰুষ চাৰ্লি চেপলিনৰ ভাষাৰেই কওঁ ঃ

"You, the people, have the power to make this life free and beautiful - to make this life a wonderful adventure. Then in the name of democracy - let us use that power - let us all unite. Let us fight for a new world - a decent world that will give men a chance to work - that will give youth a future and old age a security -- Let us fight for a world of reason - a world where science and progress will lead to the happiness of us all" - (Charles Chaplin, in The Great Dictator)

আশাকৰোঁ অসমীয়া ছবি তথা ভাৰতীয় আঞ্চলিক ছবিলৈ ভাল দিন আহিব।

সুখী মানুহৰ চলচ্চিত্ৰ

প্ৰাঞ্জল বৰা

"The desire to express our relationship to the past by using contemporary forms of expression, as well as the desire to appeal to a contemporary sensibility, sooner or later has to point us in the direction of the visual media. First the motion picture, and then later its electronic offspring, television, became sometime during the twentieth century the chief medium for carrying the stories our culture tells itself --- be those set in the present or the past, be factual or fictional or a combination of the two." - (Robert A. Rosenstone, *History on Film / Film on History)*

চলচ্চিত্ৰ এক বহুমাত্ৰিক কলা। সাহিত্য, দৰ্শন, চিত্ৰকলা, ইতিহাস, সংগীত আদি পৰম্পৰাগত কলা আৰু আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অপূৰ্ব সমাবেশ ঘটাই চলচ্চিত্ৰই যোৱা এক শতিকা ধৰি পৃথিৱীৰ মানুহক প্ৰদান কৰি আহিছে অনাবিল মানসিক আৰু বৌদ্ধিক আনন্দ। চলচ্চিত্ৰৰ গুৰুত্ব অকল ইয়াতেই শেষ নহয়। Marc Ferro, Robert Rosentstone, John O'Connor, Barbara Abrash, Janet Sternberg, Philip Rosen আদিৰ দৰে প্ৰসিদ্ধ উত্তৰ আধুনিক ইতিহাসবিদ সকলৰ গৱেষণাই সন্দেহাতীতভাৱে প্ৰতীয়মান কৰিছে চলচ্চিত্ৰ ইতিহাসৰো অন্যতম বিশ্বাসযোগ্য উৎস। অন্তত চলচ্চিত্ৰই ইয়াৰ নিৰ্মাণ কালৰ আৰ্থসামাজিক পৰিস্থিতি, সাংস্কৃতিক আচৰণবিধি. মানুহৰ ৰুচিবোধ, মনস্তত্ত্ব সুন্দৰভাৱে প্ৰতিফলিত কৰে। সেয়ে বোধহয় সুখী মানুহৰ চলচ্চিত্ৰ মাজত তেওঁলোকৰ সুখৰ ৰহস্যৰ সন্ধান কৰাটো কেৱল বৌদ্ধিক বাতুলামি নহব। কিন্তু এইখিনিতে প্ৰশ্ন হয় সুখী মানুহ কোন? কোনবোৰ দেশৰ মানুহ সুখী? স্বাভাৱিকতেই এনে প্ৰশ্নৰ উত্তৰো সুখৰ দৰেই এক আপেক্ষিক ধাৰণা। অলপতে ৰাষ্ট্ৰসংঘই ব্যাপক গৱেষণা আৰু অধ্যয়নৰ অন্তত বহুচৰ্চিত প্ৰথমটো 'World Happiness Report' প্ৰকাশ কৰিছে। ৰাষ্ট্ৰসংঘৰ হৈ কলম্বিয়া বিশ্ববিদ্যালয়ৰ Earth Institute যে প্ৰকাশ কৰা ১৫৮ পৃষ্ঠাৰ এই ৰিপৰ্টত সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে সুখৰ ব্যক্তিগত তথা ৰাষ্ট্ৰীয় বিভিন্নতা পৰ্যাপ্ত তথ্য আৰু বিশ্লেষণৰ যোগেদি প্ৰত্যয়জনক ভাৱে ব্যাখ্যা কৰাৰ প্ৰয়াস কৰা হৈছে। 'Life Evaluation Score' শীৰ্ষক এক বহুমাত্ৰিক আৰু অত্যন্ত ফলপ্ৰসু মাপকাঠিৰ আধাৰত বিভিন্ন দেশৰ ৰেংক নিৰ্ধাৰণ কৰা হৈছে। মানুহৰ স্বাস্থ্য, পৰিয়াল, চাকৰিৰ নিৰাপত্তাৰ লগতে ৰাজনৈতিক স্বাধীনতা, ৰাজহুৱা জীৱনৰ দুৰ্নীতি, ব্যক্তিগত মানৱীয় সম্পৰ্ক আদিৰ দৰে বিভিন্ন ধৰণৰ সামাজিক কাৰকৰ কথাও ৰেংকিং নিৰ্ধাৰণ কৰোতে গুৰুত্ব সহকাৰে বিবেচনা কৰা হৈছে। একেদৰে অন্যান্য বিখ্যাত গৱেষণা প্ৰতিষ্ঠানে ইতিমধ্যে বিভিন্ন সময়ত প্ৰকাশ কৰা সুখী দেশৰ ৰেংকিং আৰু তেওঁলোকৰ কৰ্মপন্থাৰ ওপৰতো ৰিপৰ্টতো প্ৰস্তুত কৰোতে পয্যাপ্ত গুৰুত্ব প্ৰদান কৰা হৈছে। ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা ৰেংকিংত প্ৰত্যাশিতভাৱেই স্কেণ্ডিনেভিয়ান উপদ্বীপৰ দেশবোৰে শীৰ্ষ স্থানবোৰ দখল কৰিছে। তালিকাৰ একেবাৰে শীৰ্ষত স্থান লাভ কৰিছে ডেনমাৰ্কে। দ্বিতীয় স্থানত আছে ফিনলেণ্ড। তৃতীয় আৰু চতুৰ্থ স্থানত [illegible] নৰৱে আৰু [illegible] স্কেণ্ডিনেভিয়ান চলচ্চিত্ৰৰ অনুৰাগী হিচাপে প্ৰায় আটাইবোৰ স্কেণ্ডিনেভিয়ান দেশৰ চলচ্চিত্ৰৰ মধু পান কৰাৰ সৌভাগ্য আমাৰ হৈছে। সদ্যপ্ৰকাশিত ৰাষ্ট্ৰসংঘৰ বহুচৰ্চিত প্ৰথমটো 'World Happiness Report' অনুসৰি পৃথিৱীৰ সকলোতকৈ সুখী দেশ হিচাপে স্বীকৃতি লাভ কৰা ডেনমাৰ্কে ইয়াৰ আগতেও প্ৰায় আটাইবোৰ ৰেংকিঙতে সুখী আৰু দুৰ্নীতি মুক্ত দেশ হিচাপে শীৰ্ষ স্থান দখল কৰি আহিছে। স্কেণ্ডিনেভিয়ান উপদ্বীপৰ দক্ষিণতম প্ৰান্তৰ সাৰ্বভৌম গণতান্ত্ৰিক দেশ ডেনমাৰ্ক। জনসংখ্যা প্ৰায় ছয় নিযুত। অৰ্থনৈতিক ভাৱে স্বচ্ছল দেশখন জনমূৰি আয়ৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰত অষ্টম স্থানত আছে। দেশখনৰ সামাজিক নিৰাপত্তা ব্যৱস্থা অতি উত্তম, ব্যাপক আৰু অত্যন্ত ফলপ্ৰসু। সকলো স্তৰতে শিক্ষা সম্পূৰ্ণ বিনামূলীয়া। ব্যক্তি স্বাধীনতা, সামাজিক সমতা, নিয়মানুৱৰ্তিতা আৰু কতব্যনিষ্ঠাৰ বাবে বিশ্ব প্ৰসিদ্ধ দেশখনৰ কতো দুৰ্নীতিৰ নাম গোন্ধ নাই। ডেনমাৰ্কৰ চলচ্চিত্ৰৰ কথা ওলালেই প্ৰায় স্বতস্ফুতঃভাৱে মনলৈ আহে সামাজিক বাস্তৱবাদ, দ্বিধাহীন যৌনতা, ধৰ্মীয় আৰু নৈতিক উপজীব্যৰ এখন বৰ্ণাঢ্য প্ৰতিচ্ছবি। হলিউডৰ ছবিৰ দৰে কোনো ব্যয়বহুল প্ৰযুক্তি আৰু সুবিশাল চেট আদিৰ সহায় নোলোৱাকৈয়ে ডেনমাৰ্কৰ চলচ্চিত্ৰই বিশ্বৰ চলচ্চিত্ৰ প্ৰেমীৰ সন্মুখত অন্যন্য কাৰিকৰী কুশলতাৰ নিদৰ্শন দাঙি ধৰিছে। কাৰ্ল ড্ৰায়াৰ, এৰিক বেলিং, গেব্ৰিয়েল এক্সেল, বিল আগষ্ট, লা ৱন ট্ৰায়াৰ, ৱিণ্টাৰ বাৰ্গ, চুজান বিয়েৰ আদি বিশ্বপ্ৰসিদ্ধ চলচ্চিত্ৰ নিৰ্মাতাৰ আশীষধন্য ডেনমাৰ্কৰ চলচ্চিত্ৰৰ জগত। অপূৰ্ব চিনেমেটিক ট্ৰিটমেণ্ট, আবেদনময় কাহিনী আৰু অনবদ্য অভিনয়ৰে সমৃদ্ধ কেইবাখনো ডেনমাৰ্কৰ শেহতীয়া ছবি উপভোগ কৰাৰ সৌভাগ্য আমাৰ হৈছে। লাৰ্চস্ ৱন টায়'ৰ "Melancholia" , নিকলাজ্ আৰ্চেলৰ 'A Royal Affair', কাচ্পাৰ মুংকৰ 'Hold Me Tight' আৰু টমাচ ৱিণ্টাৰবাৰ্গৰ 'The Hunt' তাৰ ভিতৰত অন্যতম। ভাৱনাত্মক মানৱীয় সম্পৰ্ক আৰু মানৱীয় আচৰণবিধিৰ বদ্ধমূল মাপকাঠিৰে সংপৃক্ত সমাজত অবিশ্বাস আৰু ভ্ৰান্ত ধাৰণাই কেনেদৰে নিমিষতে নিঃশেষ কৰি দিব পাৰে যুক্তি, বিবেচনা শক্তি আৰু সমমৰ্মিতাৰ পৰিকাঠামো, কেনেদৰে মুহূৰ্ততে ধুলিস্যাৎ কৰি দিব পাৰে জীৱনযোৰা বন্ধুত্ব পাৰস্পৰিক বিশ্বাস আৰু নিষ্ঠাৰ বান্দোন, তাৰ এক মৰ্মস্পৰ্শী বৃত্তান্ত টমাচ বিণ্টাৰ বাৰ্গৰ ২০১২ চনৰ বহু প্ৰশংসিত, বহু পুৰস্কৃত ছবি 'The Hunt'। গুজৱ, পৰচৰ্চামূলক মুখৰোচক কাহিনীৰ দ্ৰুতগতিৰে জনমনোবিজ্ঞানক উত্তেজিত কৰিব পৰাৰ অপাৰ শক্তি আৰু আপাততঃ নিস্পাপ শিশুৰ কল্পনা প্ৰৱণ মানত সুপ্ত হৈ থকা আপদীয়া অশুভ সম্ভাৱনীয়তাৰ অন্বেষণৰো কাহিনী বিণ্টাবাৰ্গৰ ছবিখন।

মধ্যবয়স্ক লুকাচ ৰঙিয়াল, বন্ধু ভাৱাপন্ন, পৰোপকাৰী, আশাবাদী, বিনয়ী স্বভাৱৰ। ছবিখনৰ প্ৰথমলানি দৃশ্যাৱলীত সন্দেহাতীতভাৱে মুৰ্ত হয় লুকাচৰ চৰিত্ৰ। নৱেম্বৰ মাহৰ হিমশীতল পানীত জঠৰ হৈ পৰা সংগী এজনক উদ্ধাৰ কৰাৰ বাবে নিজৰ কথা নাভাবি মুহূৰ্ততে পানীত জাপ দিবলৈ কুণ্ঠাবোধ নকৰে লুকাচে। অত্যাধিক সুৰা সেৱন কৰি লেবেজান হৈ পৰা প্ৰিয়তম বন্ধু থিয়'ক প্ৰায়ে লুকাচে নিৰ্বিঘ্নে, নিৰাপদে, মধ্যৰাতি সুৰাৰ আড্ডাৰ পৰা নি ঘৰত থৈ আহে। পিতৃ-মাতৃৰ কৰ্মব্যস্ততাৰ মাজত একাকীত্বত ভোগা থিয়'ৰ কণমাণি জিয়ৰী ক্লাৰাক প্ৰায়ে পিতৃসুলভ বন্ধুত্ব, মৰম আৰু অনুকম্পাৰে লুথাচে সংগসুখ প্ৰদান কৰে। নিজে কাম কৰা Kindergarten স্কুলখনৰ কণমাণিহঁতৰ মাজতো খুউব জনপ্ৰিয় লুকাচ। স্কুল চুটিৰ পাছতো সিহঁতৰ লগত ৰং তামাচাত নিবৃত্ত হৈ বহু সময় অতিবাহিত কৰে লুকাচে। ব্যক্তিগত জীৱনত এলানি তিক্ততাপূৰ্ণ বিপৰ্যয়ৰ পৰা ক্ৰমাৎ পৰিত্ৰাণ পোৱাৰ পথ প্ৰশস্ত হৈ উঠিছে লুথাচৰ --- তেওঁ শিক্ষকতাৰ চাকৰি কৰা স্কুলখন বন্ধ হৈ যোৱাৰ পাছত এইখন মুকুল স্কুলত নতুনকৈ কাম কৰাৰ সুবিধা পাইছে, পূৰ্বৰ পত্নীৰ স'তে বিবাহ বিচ্ছেদ কৰি তিক্ততাপূৰ্ণ দাম্পত্য জীৱনৰ পৰা সকাহ পোৱাৰ পাছত বিদেশী সহকৰ্মী এগৰাকীৰ স'তে আৰম্ভ হৈছে প্ৰতিশ্ৰুতিময় এক ৰোমান্তিক সম্পৰ্ক, একমাত্ৰ কৈশোৰ পুত্ৰ মাৰ্কচৰ লগতো বিচ্ছিন্নপ্ৰায় হোৱা আত্মীয়তাৰ সম্পৰ্ক ক্ৰমাৎ পুনৰ উজ্জীবিত হৈ উঠিছে। এই সন্ধিক্ষণতে অভাৱনীয়ভাৱে ঘটি গ'ল অদ্ভুত অথচ সংহাৰক দুৰ্ঘটনা। লুকাচৰ পিতৃসুলভ মৰম, যত্ন আৰু আবদাৰত আপ্লুত ক্লাৰাই তেওঁৰ প্ৰতি অনুভৱ কৰে এক

প্ৰকাৰৰ নিস্পাপ, অবুজ ৰোমান্তিক আকৰ্ষণ। তাইৰ বয়ঃসন্ধিৰ দোমোজাত থকা কিশোৰ ককায়েকৰ আৰু বন্ধুহতৰ কথোপকথনৰ যৌনগন্ধী কথাবোৰ শুনি আৰু অধিক উত্তেজিত হৈ উঠে তাই। পিছে যেতিয়া সেই একেই পিতৃসুলভ মৰম আৰু আবদাৰেৰে লুকাচে তাইৰ সন্মুখত আকি দিয়ে লক্ষ্মণৰেখা, ক্ষুণ্ণ, উদ্বিগ্ন, বিভ্ৰান্ত কণমাণি ক্লাৰাই তাইৰ হেডমাষ্টৰণী শ্ৰীমতী গ্ৰেথৰ সন্মুখত পৰোক্ষভাৱে ব্যক্ত কৰে লুকাচৰ বিষয়ে এক অস্পষ্ট অভিযোগ — এনে এক অভিযোগ যি শিশু যৌন উৎপীড়নৰ সমাৰ্থক। যদিও প্ৰচণ্ড ভাৱপ্ৰৱণ শিশু ক্লাৰাৰ বক্তব্য অস্পষ্ট, বিভ্ৰান্তিকৰ, অনিৰ্ণেয় আৰু বহু পৰিমানে দুৰ্বোধ্য, তাইৰ হেডমাষ্টৰণী গ্ৰেথ, স্কুলৰ অতিথি শিশু মনোবিজ্ঞানী আৰু আন আন সহকৰ্মীসকলৰ দৃষ্টিত সেয়াই ধ্ৰুৱসত্য। কাৰণ 'নিস্পাপ শিশুৱে মিছা নামাতে' ধৰণৰ বদ্ধমূল সামাজিক বিশ্বাসত আক্ৰান্ত তেওঁলোকৰ বাবে অন্যথা হ'বই নোৱাৰে। ফলশ্ৰুতিত ৰাতিটোৰ ভিতৰতে সৰ্বজনপ্ৰিয়, সকলোৰে প্ৰিয়ভাজন আৰু আস্থাভাজন লুকাচ পৰ্যবসিত হ'ল এক ঘৃণনীয় শিশু যৌন উৎপীড়ণকাৰীলৈ, এক নিকৃষ্ট, বৰ্জনীয় সমাজৰ শত্ৰুলৈ। আত্মপক্ষ সমৰ্থনৰ নুন্যতম সুযোগ পোৱাৰ আগতেই নিৰ্দোষ লুকাচৰ সমস্ত পৃথিৱী তচ্ নচ্ হৈ গ'ল। প্ৰচণ্ড জনৰোষ, লাঞ্চনা, বঞ্চনা, মিছা অপবাদৰ জ্বালাই দুৰ্বিসহ কৰি তুলিলে লুকাচৰ জীৱন। চাকৰিৰ পৰা বৰ্খাস্ত কৰা হ'ল, সামাজিকভাৱে বৰ্জন কৰা হ'ল, বাৰে বাৰে শাৰীৰিক আৰু মানসিকভাৱে অপদস্থ কৰা হ'ল। ইমানতে ক্ষান্ত নাথাকি মানুহবোৰে নিকৃষ্ট অপৰাধী হিচাপে লুকাচৰ বিৰুদ্ধে আৰক্ষীৰ ওচৰত গোচৰ তৰিলে। আনহে নালাগে সৰু চহৰখনৰ স্থানীয় ডিপাৰ্টমেণ্টেল ষ্টৰখনেও তেওঁৰ দৰে ঘৃণিত ব্যক্তিক নিত্য ব্যৱহাৰ্য্য সামগ্ৰী বিক্ৰী কৰিবলৈ অস্বীকাৰ কৰি খেদি পঠালে। তেওঁৰ সুখ-দুখৰ সঙ্গী ফেনী নামৰ পোহনীয়া কুকুৰজনীকো কোনো প্ৰতিশোধপৰায়ণ দুৰ্বৃত্তই নৃশংসভাৱে হত্যা কৰিলে। পিতৃৰ নিৰ্দোষিতাৰ প্ৰমাণ কৰিবলৈ চেষ্টা কৰা মাৰ্কচকো লুকাচৰ এসময়ৰ বন্ধুহতে নিৰ্দয়ভাৱে প্ৰহাৰ কৰিলে। আশ্বৰ্যকৰভাৱে শিশুক নিস্পাপ মনৰ সত্যবাদী বুলি নিশ্চিতভাৱে মানি লোৱা মানুহবোৰে পৰৱৰ্তী সময়ত কণমাণি ক্লাৰাই সঘনাই লুকাচৰ নিৰ্দোষিতাৰ কথা কৈ থকাৰ পাছতো গুৰুত্ব নিদিলে। অৱশেষত আইনে লুকাচক দোষ মুক্ত কৰে যদিও দৰ্শকৰ মনত বাৰে বাৰে দোলা দিয়ে এলানি শাণিত প্ৰশ্নই - যি নাৰকীয় শাৰীৰিক আৰু মানসিক যাতনা নিৰ্দোষ লুকাচে সহিব লগা হ'ল সেইয়া জানো যুক্তিসংগত ? কিয় কাৰ দোষত এই অমানৱীয় অত্যাচাৰ ? ছবিখন চাওতে দৰ্শকে মৰ্মে মৰ্মে অনুভৱ কৰে এক নিৰ্মম সত্য — কেৱল আৱেগ, তৰল উচ্ছ্বাস - উদ্দীপনা আৰু বদ্ধমূল সামাজিক বিশ্বাস আৰু পৰম্পৰাই সৰ্বতোপ্ৰকাৰে সংজ্ঞাভূত আৰু নিয়ন্ত্ৰিত কৰা সামাজিক পৰিবেশত আৱদ্ধ মানুহৰ মাজত পাৰস্পৰিক বিশ্বাস, বন্ধুত্ব, আস্থা আৰু নিৰ্ভৰশীলতাৰ সুঁতাডাল কিমান থুনুকা .... !

স্কেণ্ডিনেভিয়ান চিনেমাৰ জীৱন্ত কিংবদন্তি লাৰস্ ৱন ট্ৰায়ৰ পাছতে মোৰ প্ৰিয় ডেনিচ চলচ্চিত্ৰকাৰ টমাচ ৱিণ্টাৰবাৰ্গৰ প্ৰেমত পৰিছিলো প্ৰায় এক দশক আগতে। তেওঁৰ ১৯৯৮ চনত নিৰ্মিত বহু প্ৰশংসিত The Celebration নামৰ ছবিখন চাই। মজাৰ কথাটো হ'ল সেইখন ছবিৰো উপজীব্য আছিল শিশুৰ যৌন উৎপীড়ন। সমাজ জীৱনত প্ৰতিস্থিত, সন্মানীয় এগৰাকী ব্যক্তিৰ ষাঠি বছৰীয়া জন্মদিন উদ্‌যাপনৰ বাবে আয়োজিত ভব্য গব্য অনুস্থানত অজস্ৰ বন্ধু- অনুৰাগীৰ উপস্থিতিত তেওঁৰেই পুত্ৰই অকস্মাতে উন্মুক্ত কৰি দিয়ে এক বিস্ফোৰক অভিযোগ — - তেওঁলোকৰ পিতৃয়ে শৈশৱত তাৰ আৰু তাৰ যমজ ভগ্নীৰ ওপৰত উপযুপৰি যৌন নিৰ্যাতন চলাইছিল। হতভম্ভ হৈ যায় উপস্থিত সকলো। পিছে তথাকথিত ৰুচিবোধ সম্পন্ন আৰু পৰিশীলিত জীৱনবোধ আৰু শালীন আচৰণবিধিৰ ভণ্ডামিৰ আবেষ্টনীত নিজক লুকুৱাই ৰখা তথাকথিত ভদ্ৰ মাননুহৰ দৃষ্টিত এই অভিযোগ এনে উদ্ভট আৰু অশিষ্ট যে জনৰোষ প্ৰাৰম্ভিক অৱস্থাত অভিযোগকাৰী পুত্ৰৰ বিৰুদ্ধেহে যায়......... ! পৰৱৰ্তী সময়ত The Celebration প্ৰসিদ্ধ তথা বিতৰ্কিত 'Dogme 95' শৈলীত নিৰ্মিত উৎকৃষ্টতম ছবি হিচাপে পৰিগণিত হয়। পিছে অত্যন্ত কঠোৰ আৰু আকোৰগোজ মনোভাবেৰে 'Dogme 95' ৰ নীতি-নিয়ম প্ৰয়োগ কৰি নিৰ্মাণ কৰাৰ বাবেই হয়তো ছবিখন উপভোগ কৰোতে কোনো কোনো সময়ত চলচ্চিত্ৰৰ

নন্দনতাত্বিক তথা কাৰিকৰী দৃষ্টিকোণৰ পৰা কোনো কোনো মুহূৰ্তত ছবিখন নিস্তেজ যেন লাগিছিল। The Hunt অৱশ্যে চলচ্চিত্ৰৰ নান্দনিক আৰু কাৰিকৰী দিশৰ পৰা অত্যন্ত আকৰ্ষণীয় ছবি। 'Dogme 95' নীতিৰ সহঃপ্ৰৱৰ্তক বিণ্টাৰ বাৰ্গে অত্যন্ত কুশলতাৰে প্ৰয়োজনীয় শিথিলতা অৱলম্বন কৰি ছবিখন নান্দনিক আৰু কাৰিকৰী দিশত প্ৰাণবন্ত কৰি তুলিছে। উদাহৰণস্বৰূপে চিত্ৰগ্ৰহণৰ ক্ষেত্ৰত তথ্যচিত্ৰসদৃশ বাস্তৱধৰ্মীতাৰ বাবে মূলত Hand-held কেমেৰাৰে গতিশীল চিত্ৰগ্ৰহণৰ পদ্ধতি অৱলম্বন কৰা হৈছে যদিও কোনো কোনো দৃশ্যৰ ফ্ৰেম নিৰ্মাণ কৰা হৈছে স্থিৰ, মসৃণ কেমেৰাৰ গতি প্ৰয়োগ কৰি। একেদৰে 'Dogme 95' নীতি অনুসৰি পৰিস্থিত উদ্ভূত শব্দৰ (Diegetic Sound) বাহিৰে আৱহ সংগীতৰ প্ৰয়োগ ব্যহুলভাৱে কৰা হোৱা নাই। কিন্তু কোনো কোনো দৃশ্যাংশত অৰ্থবহভাৱে আৱহ সংগীতৰ প্ৰয়োগ কৰা হৈছে। 'The Hunt ৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু নিসন্দেহে লুকাচৰ ভূমিকাত অভিনয় কৰা মেড্ মিকেলচ্‌নৰ দুৰ্দান্ত অভিনয়। এই চমকপ্ৰদ অভিনয়ৰ বাবেই বিগত বৰ্ষত সন্মানীয় কাঁ আন্তজাৰ্তিক চলচ্চিত্ৰ মহোৎসৱ প্ৰমুখ্যে কেইবাখনো প্ৰসিদ্ধ চলচ্চিত্ৰ মহোৎসৱত অভিনেতাজনে শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰিছিল।

মাটিকালিৰ ফালৰ পৰা ইউৰোপৰ অষ্টমখন সৰ্ববৃহৎ দেশ ফিনলেণ্ড। এই বৃহৎ দেশৰ জনসংখ্যা মাথো চাৰে ৫ নিযুত। উদ্যোগিক দিশত অত্যন্ত আগবঢ়া দেশখনৰ জনমুৰি আয় জাৰ্মান, চুইডেন, ফ্ৰান্স, বেলজিয়াম আদি চহকী দেশৰ সমকক্ষ। সংসদীয় গণতন্ত্ৰত বিশ্বাসী ফিনলেণ্ডৰ সামাজিক নিৰাপত্তা ব্যৱস্থা পৃথিৱীৰ ভিতৰতে উৎকৃষ্ট। দেশখনৰ চৰকাৰে সকলো নাগৰিককে সুন্দৰ জীৱন নিৰ্বাহৰ নিশ্চিতি প্ৰদান কৰে। দেশখনৰ উচ্চশিক্ষাৰ মানো বিশ্বৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ। সাম্প্ৰতিক সময়ত বিশ্বৰ আটাইতকৈ শান্তিপূৰ্ণ, বাসোপযোগী দেশ হিচাপে যিকেইখন দেশক অভিহিত কৰা হয় তাৰ ভিতৰত ফিনলেণ্ড অন্যতম। সদ্যপ্ৰকাশিত ৰাষ্ট্ৰসংঘৰ বহু চৰ্চিত প্ৰথমটো "World Happiness Report" অনুসৰি ফিনলেণ্ড বিশ্বৰ দ্বিতীয়খন সকলোতকৈ সুখী মানুহৰ দেশ। সাম্প্ৰতিক সময়ত মোক আকৃষ্ট কৰা এখন ফিনিচ ছবি হ'ল 'The Good Son' (2011)। ছবিখনে ইতিমধ্যে দৰ্শক সমালোচকৰ সমাদৰ লাভ কৰাৰ লগতে কেইবাটাও সন্মানজনক আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিবলৈও সক্ষম হৈছে।

লাইলা মেনাৰ মধ্যবয়সীয়া চিত্ৰতাৰকা। বয়স বাঢ়ি অহাৰ লগে লগে স্বাভাৱিকতেই নিজৰ কেৰিয়াৰ আৰু অৱনমিত জনপ্ৰিয়তাক লৈ শংকিত লাইলা। চিত্ৰতাৰকা লাইলাৰ শেহতীয়া ছবিখনে বক্স অফিচত মুখ থেকেচা খাইছে। প্ৰয়োজকৰ বিৰুদ্ধে মুকলিকৈ বিষোদগাৰ কৰি লাইলা আইনী প্ৰক্ৰিয়াৰ সমুখীন হ'ব লগা অনাকাঙ্খিত পৰিস্থিতি এটাৰো উদ্ভৱ হৈছে। মচলাদাৰ খবৰ সন্ধানী সাংবাদিকৰ আতিশয্য আৰু এই সকলোবোৰ দুঃচিন্তা আৰু অস্বস্তিৰ পৰা পৰিত্ৰাণ পাবৰ বাবে সেয়ে লাইলাই দুই পুত্ৰ সন্তানসহ গোপনে আশ্ৰয় লৈছেগৈ চিত্ৰবৎ সৌন্দৰ্যৰে ভৰা অৰণ্য আবেষ্টিত হ্ৰদৰ পাৰত অৱস্থিত গাৱৰ ঘৰত। লাইলাৰ দুই পুত্ৰ সন্তানৰ ভিতৰত আন্তু (Unto) অৰ্থাৎ সৰুটো মাতৃৰ প্ৰভাৱৰপৰা মুক্ত। ৮/৯ বছৰীয়া অন্তৰমুখী আন্তু অহৰহ তাৰ ভিডিঅ' কেমেৰা আৰু ট্ৰাইপড ডাল লৈ ব্যস্ত থাকে প্ৰকৃতিজগতৰ ফটো তোলাত। আনহাতে, লাইলাৰ বৰপুত্ৰ কিশোৰ ইলমাৰি মাতৃৰ একান্ত অনুগত। সি মাকৰ বিশ্বস্ত সংগী, ব্যক্তিগত সহায়ক, একধৰণৰ দেহৰক্ষী। এফালে এটাৰ পাছত এটাকৈ কেইবাটাও তিক্ততাপূৰ্ণ ,ব্যৰ্থ সম্পৰ্কৰ জ্বালা, আনফালে ক্ৰমবৰ্দ্ধমান বয়স আৰু ক্ৰমহ্ৰাসমান জনপ্ৰিয়তা। ভিতৰি ভিতৰি প্ৰচণ্ড নিৰাপত্তাহীনতাত ভোগা আত্মকেন্দ্ৰীক লাইলাও হয়তো প্ৰয়োজনাধিক নিৰ্ভৰশীল বৰপুত্ৰৰ ওপৰত। যদিও কথা আছিল দুই পুত্ৰৰ স'তে একান্ত ব্যক্তিগত সময় অতিবাহিত কৰাৰ, অনুৰাগীৰ দ্বাৰা পৰিবেষ্টিত হৈ থকাত অভ্যস্ত, আড্ডাবাজ লাইলাই কথা ৰাখিব নোৱাৰিলে। আমন্ত্ৰণ কৰি আনিলে বন্ধু আৰু অনুৰাগীৰ এটা দল। আপাততঃ অসন্তুষ্ট ইলমাৰিয়ে বিনা প্ৰতিবাদে মাকৰ নিৰ্দেশানুসাৰি সকলো কামতে সহায়ৰ হাত আগবঢ়ায়। কাৰণ তাৰ বাবে মাকৰ ইচ্ছা, হেঁপাহ আৰু সুৰক্ষাতকৈ ডাঙৰ কথা একো নাই। ৰং-তামাচাৰে ভৰপুৰ এক উন্মাদনাময় উশৃংখল নিশা

উদ্‌যাপনৰ অন্তত দলটোৰ সকলোবোৰে প্ৰত্যাগমন কৰে। লাইলাৰ ইচ্ছাত বৈ যায় আইমো (Aimo) যি এজন প্ৰতিষ্ঠিত লিখক। লাইলাৰ নতুন পুৰুষ সংগী হিচাপে আইমোৰ উপস্থিতিয়ে ইলমাৰিক বিৰক্ত কৰে। লাইলাই বাৰম্বাৰ পতিয়ন নিয়াবলৈ চেষ্টা কৰিলেও আৰু আপাততঃ ইলমাৰিয়ে মাকৰ নতুন সংগীৰ উপস্থিতি মানি ললেও ইলমাৰিৰ মনত অহৰহ ক্ৰিয়া কৰি থাকে কিবা এক অবুজ অস্বস্তি, ঈৰ্ষা আৰু অশান্তিৰ অনুভৱে। আনকি কাৰিতা নামৰ আকৰ্ষণীয় যুৱতীৰ মন আৰু দেহৰ সান্নিধ্যত নিজকে বিলীন কৰি দিও ইলমাৰিয়ে পৰিত্ৰাণ পাব নোৱাৰে ঈৰ্ষা আৰু শংকা মিশ্ৰিত অনুভৱৰ বোজাটোৰ পৰা। সি আগতকৈও নিষ্ঠা আৰু সতৰ্কতাৰে মাকৰ নিৰাপত্তাৰ ওপৰত দৃষ্টি ৰাখিবলৈ লয়। অত্যন্ত সন্তৰ্পণে সি আইমোৰ গতিবিধি লক্ষ্য কৰি থাকে। আনহাতে আইমো বুদ্ধিদীপ্ত, বিনয়ী আৰু সংযমী। নিজৰ ব্যক্তিগত জীৱনৰ অজস্ৰ সমস্যা অতিক্ৰমি নিজকে সুন্দৰকৈ চম্ভালিবপৰা ধৰণৰ মানুহ। লাইলাৰ ক্ষণে ৰুষ্ট ক্ষণে তুষ্ট স্বভাৱৰ লগত সুন্দৰকৈ খাপ খুৱাই ল'ব পৰা মানুহ আইমো। তেওঁ ইলমাৰিৰ মনৰ অৱস্থা পঢ়িব পৰাকৈ বুদ্ধিদীপ্ত। কিন্তু সেয়ে হ'লেও ঘটনাৰ আকস্মিকতাত বাৰে বাৰে হতভম্ব হৈ যায় আইমো। ইলমাৰিৰ অদ্ভুত খেয়ালি সংহাৰক মনস্তত্ত্ব প্ৰতিহত কৰিবলৈ অপাৰগ আইমো। মোৰ দৃষ্টিত ছবিখনৰ আটাইতকৈ হৃদয়স্পৰ্শী আৰু ভাবোদ্দীপক মুহূৰ্ততো হ'ল মাতৃ লাইলাই যি মুহূৰ্তত সুগভীৰ মমতা, শংকা আৰু অনুশোচনাৰে উপলব্ধি কৰে নিজ সন্তান ইলমাৰিৰ মনৰ মাজত সুপ্ত হৈ থকা ভয়ংকৰ আত্মঘাটিমূলক সংহাৰক মূৰ্তি। প্ৰায় স্বয়ংক্ৰিয়ভাৱে দৰ্শকে অনুভৱ কৰে নিষ্ঠাবান, অনুগত সন্তানৰ পিতৃ-মাতৃৰ প্ৰতি কৰ্তব্যনিষ্ঠা আৰু দায়বদ্ধতাই Obssession ৰ ৰূপ পালে কি ভয়ানক অভাৱনীয় পৰিণতি হ'ব পাৰে। পিতৃ-মাতৃৰ অভিভাৱকত্ব আৰু সন্তানৰ কৰ্তব্যনিষ্ঠা আৰু দায়বদ্ধতাৰ মাজৰ অদৃশ্য অথচ অতিকৈ স্পৰ্শকাতৰ ভাৰসাম্য অক্ষুন্ন ৰখাটো কিমান বাঞ্চনীয় সেয়া যেন দৰ্শকে মৰ্মে মৰ্মে উপলব্ধি কৰে। কেইটামান আউটডʼৰ স্বটৰ বাদে সমগ্ৰ ছবিখন চিত্ৰগ্ৰহণ কাৰীয়ে যে কেমেৰা হাতত হৈ চিত্ৰগ্ৰহণ কৰিছে যিকোনো চমঝদাৰ চলচিত্ৰ ৰসিকে সহজে অনুমান কৰিব পাৰিব। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে ছবিখনত কেমেৰাৰ কাম আশানুৰূপ নহয়। ডিজিটেল ফৰ্মেটত নিৰ্মিত ছবিখনৰ চিত্ৰগ্ৰহণৰ মসৃণ গতিময়তাই কাহিনীভাগৰ ৰং, ৰূপ আৰু গন্ধ সুন্দৰকৈ প্ৰতিফলিত কৰে। একেই দক্ষতা দৃষ্টিগোচৰ হয় সম্পাদনা প্ৰমুখ্যে পোহৰ, সংগীত, দৃশ্যসজ্জা আদি আনবোৰ কাৰিকৰী দিশত।

সুবিশাল স্কেণ্ডিনেভিয়া উপদ্বীপ অঞ্চলৰ পশ্চিম প্ৰান্তৰৰ অৰ্থনৈতিকভাৱে স্বচ্ছল, ৰাজনৈতিকভাৱে সুস্থিৰ গণতান্ত্ৰিক কল্যাণকামী দেশ নৰৱে। প্ৰচুৰ খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ভাণ্ডাৰ নৰৱে জনমূৰি আয়ৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বৰ ভিতৰত চতুৰ্থ। মাত্ৰ ৫ নিযুত জনসংখ্যাৰ বসতি স্থান নৰৱেৰ সামাজিক নিৰাপত্তা ব্যৱস্থা, ৰাজসাহাৰ্য প্ৰাপ্ত সাৰ্বজনীন স্বাস্থ্য আৰু শিক্ষা ব্যৱস্থা সমগ্ৰ পৃথিৱীৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ। ৰাষ্ট্ৰসংঘৰ বহুচৰ্চিত মানৱ উন্নয়ন সূচাংক (Human Development Index) ৰ তালিকাত নৰৱেই দখল কৰিছে শীৰ্ষতম স্থান। একেদৰেই গণতান্ত্ৰিক মূল্যবোধৰ সূচাংক (Democracy Index) ৰ তালিকাতো নৰৱেৰ স্থান একেবাৰে শীৰ্ষত (২০১১)। অলপতে প্ৰকাশিত ৰাষ্ট্ৰসংঘৰ প্ৰথমটো 'World Happiness Report' ত নৰৱেই লাভ কৰিছে তৃতীয় স্থান।

The Man Who Could not Laugh (1967), The Pathfinder (1987), Insomnia (1997) আদিৰ দৰে বহু প্ৰশংসিত ধ্ৰুপদী ছবিৰ উপৰিও The King of Devil's Island (2010) আৰু Sons of Norway (2010) ৰ দৰে শেহতীয়া বহু প্ৰশংসিত ছবি আৰু Headhunters (2011) ৰ দৰে অভিলেখ সৃষ্টিকাৰী ব্যৱসায়িকভাৱে সফল নৰৱেইয়ান ছবি উপভোগ কৰাৰ সৌভাগ্য আমাৰ হৈছে। আমাৰ মন আৰু মস্তিষ্কক বাৰুকৈয়ে আকৃষ্ট কৰা নৰৱেৰ এখন শেহতীয়া ছবি 'King of Devil's Island' (2010)। সম্পূৰ্ণ সত্য ঘটনাৰ আধাৰত নিৰ্মিত 'King of Devils Island' সঁচা অৰ্থত বুকু কপাঁই তোলা এখন পিৰিয়ড ছবি। কাহিনীৰ পটভূমি নৰৱেৰ ইতিহাসৰ সেই কুখ্যাত বেষ্টয়' বয়জ হোম (Bastoy Boys' Home)। সভ্য সমাজৰ লগত খাপ খাব নোৱাৰা অথবা অসামাজিক, অপৰাধমূলক কামত প্ৰবৃত্ত

